# অসম বিধান সভা

## তৰাযুক্ত প্ৰশ্ন নং: ২৪০

## উত্তৰ দিয়া তাৰিখ: ২৭/০৭/২০২৬

বিষয় : বৰছলা সমষ্টিত Veterinary Dispensary আৰু Sub-center বোৰৰ আন্তঃগাঁথনি সম্পৰ্কে।

শ্ৰী ঋতু বৰণ শৰ্মা : বিধায়ক

মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰছলা সমষ্টিত কিমানটা Veterinary Dispensary আৰু Sub-center আছে ? তাৰ ভিতৰত কিমানটা সক্ৰিয় হৈ আছে ?

(খ) Dispensary আৰু Sub-center বোৰত আন্তঃগাঁথনি বৰ্তমান কি পৰ্য্যায়ত আছে ?

(গ) বৰ্তমান Dispensary আৰু Sub-center বোৰত কিমান চিকিৎসক আৰু কৰ্মচাৰী আছে ?

(ঘ) এক বৃহৎ কৃষি প্ৰধান সমষ্টি হিচাপে বৰ্তমানৰ আন্তঃগাঁথনি ও চিকিৎসা/কৰ্মচাৰীৰ সংখ্যা পৰ্যাপ্ত হয়নে ?

(ঙ) আন্তঃগাঁথনি উন্নয়ন, অন্যান্য সা-সুবিধা আৰু প্ৰয়োজনীয় চিকিৎসক, কৰ্মচাৰীৰ সংখ্যা বৃদ্ধিৰ বাবে কিবা পৰিকল্পনা আছেনে ?

(চ) শোণিতপুৰ জিলাৰ আন আন সমষ্টিৰ তুলনাত বৰছলা সমষ্টিত চিকিৎসক আৰু কৰ্মচাৰীৰ সংখ্যা যথেষ্ট কম, ঢেকিয়াজুলি বিধানসভা সমষ্টিত বিভিন্ন Dispensary ত চাৰিজনকৈ চিকিৎসক থকাৰ বিপৰীতে বৰছলা সমষ্টিত মাত্ৰ এজনহে চিকিৎসক আছে, এনে ধৰণৰ বৈষম্য দূৰ কৰিবলৈ চৰকাৰে অনতি বিলম্বে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব নে ?

**: উত্তৰ :**

মাননীয় পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে উত্তৰ দিব :

ক) বৰছলা সমষ্টিত ২ (দুই) খন Veterinary Dispensary আৰু ৭ খন Sub-center আছে আৰু গোটেই কেইখন সক্ৰিয় হৈ আছে।

খ) বৰছলা সমষ্টিৰ অন্তৰ্গত দুয়ো (২) খন Veterinary Dispensary ৰ আন্ত:গাঁথনি ভাল আৰু ৭ (সাত) খন Sub-center ৰ ভিতৰত ৩ (তিনি) খনৰ মেৰামতিৰ প্ৰয়োজন আছে।

গ) বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত পশুচিকিৎসালয় আৰু পশুস্বাস্থ্য উপকেন্দ্ৰবোৰত থকা চিকিৎসক আৰু কৰ্মচাৰীৰ সংখ্যা **পৰিশিষ্ট-১** ত উল্লেখ কৰা হৈছে।

ঘ) ৰাজ্যিক পশুচিকিৎসালয় বিহগুৰি আৰু ৰাজ্যিক পশুচিকিৎসালয় খেলমাটিৰ পশুধন আৰু হাঁহ-কুকুৰাৰ সংখ্যাৰ হিচাপত, এই সমষ্টিত বৰ্তমানৰ আন্তঃগাঁথনি আৰু কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ অৱকাশ আছে ।

ঙ) আন্তঃগাঁথনি উন্নয়ন, অন্যান্য সা-সুবিধা আৰু প্ৰয়োজনীয় চিকিৎসক, কৰ্মচাৰীৰ সংখ্যা বৃদ্ধিৰ বাবে বিভাগে পৰ্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰি আছে।

ইতিমধ্যে ১৩৭ জন পশু চিকিৎসকৰ পদ পূৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চ) প্ৰয়োজন মতে পশুচিকিৎসক আৰু ক্ষেত্ৰ সহায়ক নিযুক্ত হৈ আছে ।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰণ কৰা হৈছে***

*******

পৰিশিষ্ট-১

| ক্ৰমিক নং | পশু চিকিৎসালয় নাম | পদৰ নাম | মুঠ অনুমোদিত পদ | কৰ্মৰত পদ | খালী পদ | মন্তব্য |
|---|---|---|---|---|---|---|
| ১ | ৰাজ্যিকপশু চিকিৎসালয়, বিহগুৰি | পশু চিকিৎসক (Veterinary Officer | ১ | ১ | ০ | |
| | | ক্ষেত্ৰ সহায়ক (VFA) | ৩ | ৩ | ০ | ১ জন ক্ষেত্ৰ সহায়ক দৰং জিলাত নিয়োজিত হৈ আছে |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ১ | ০ | |
| ২ | ৰাজ্যিক পশু চিকিৎসালয়, খেলমাটি | পশু চিকিৎসক (Veterinary Officer | ১ | ১ | ০ | চিকিৎসক গৰাকী বৰ্তমান ৰাজ্যিক চিৰিয়াখানা, গুৱাহাটীত নিয়োজিত হৈ আছে। |
| | | ক্ষেত্ৰ সহায়ক (VFA) | ৩ | ২ | ১ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ১ | ০ | |
| ৩ | পশু স্বাস্থ্য উপকেন্দ্ৰ, তেলিয়াগাঁও | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ০ | ১ | |
| ৪ | পশু স্বাস্থ্য উপকেন্দ্ৰ, ধিৰাইমাজুলী | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ০ | ১ | |
| ৫ | পশু স্বাস্থ্য উপকেন্দ্ৰ, জহামাৰি | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ০ | ১ | |
| ৬ | পশু স্বাস্থ্য উপকেন্দ্ৰ, ঠেলামাৰা | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ১ | ০ | কৰ্মচাৰী গৰাকী ICDP, Dispensary মিছন চাৰিআলিত নিয়োজিত হৈ |

| | | | | | | |
|---|---|---|---|---|---|---|
| | | | | | | আছে |
| ৭ | পশু স্বাস্থ্য উপকেন্দ্র, শিলিখাবাৰী | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ১ | ০ | কৰ্মচাৰী গৰাকী গামেৰী পশু স্বাস্থ্য উপকেন্দ্ৰত নিয়োজিত হৈ আছে |
| ৮ | পশু স্বাস্থ্য উপকেন্দ্র, পুঠিমাৰী | ক্ষেত্ৰ সহায়ক (VFA) | ১ | ১ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ০ | ১ | |
| ৯ | গৰুবন্ধা প্ৰাথমিক পশু স্বাস্থ্য কেন্দ্ৰ | ক্ষেত্ৰ -সহায়ক (VFA) | ২ | ২ | ০ | |
| | | চতুৰ্থবৰ্গ (Grade-IV) | ১ | ১ | ০ | |

***********